NORTH LAKHIMPUR
COLLEGE (AUTONOMOUS)
Department of Assamese
Khelmati, Lakhimpur
Assam, India, PIN : 787031
**22-05-2020**

# জৰীপ

## ক'ভিড-১৯ৰ পৰিপ্ৰেক্ষিতত বিঘ্নিত হোৱা শৈক্ষিক ধাৰাবাহিকতা আৰু নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগত অধ্যয়নৰত স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দিশৰ স্থিতি, শৈক্ষিক অগ্ৰগতি, আৰু আৰ্থিক অৱস্থাৰ জৰীপ

(জৰীপৰ সময় ১৯ মে'—২০ মে', ২০২০)

**জৰীপ কৰোঁতা ঃ**
**ড° অৰবিন্দ ৰাজখোৱা**
মুৰব্বী, অসমীয়া বিভাগ
**কাৰিকৰী সহযোগী ঃ**
**ড° সঞ্জীৱ বৰা**
প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ তথা
সহকাৰী অধ্যাপক, প্ৰাগজ্যোতিষ মহাবিদ্যালয়

কৰ'না মহামাৰীৰ কবলৰপৰা ৰক্ষা পাবলৈ মূল আৰু এতিয়ালৈকে একমাত্ৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছে— সামাজিক দূৰত্বক। অসম চৰকাৰে যোৱা ১৫ মাৰ্চ তাৰিখে সেয়ে সকলো শিক্ষা প্ৰতিষ্ঠান বন্ধ বুলি ঘোষণা কৰে। তেতিয়াৰেপৰা আজি ২৩ মে' পৰ্যন্ত সকলো শিক্ষা প্ৰতিষ্ঠান বন্ধ হৈ আছে। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে ১৫ মাৰ্চৰপৰাই বিভিন্ন মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ যোগাযোগ কৰিবলৈ চেষ্টা কৰি আহিছে আৰু শৈক্ষিক অগ্ৰগতি বৰ্তাই ৰাখিবলৈয়ো চেষ্টা কৰিছে। বিভাগৰ কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকাৰ আগ্ৰহ আৰু চেষ্টাৰ শলাগ লৈছোঁ। সমান্তৰালভাৱে মহাবিদ্যালয় কৰ্তৃপক্ষৰ হৈ অধ্যক্ষ মহোদয়েও এই দিশত উৎসাহ দিছে আৰু খতিয়ানো লৈছে। সমগ্ৰ অসমতে এই সম্পৰ্কীয় চিন্তা চৰ্চা সামাজিক মাধ্যম আৰু প্ৰচাৰ মাধ্যমত হৈ আছে আৰু তাত অংশ লোৱা বেছিখিনি মানুহেই অনলাইন দূৰ শিক্ষাৰ যোগেদি পাঠ্যক্ৰম আগবঢ়াই নিয়া সম্ভৱ বুলি সজোৰে মত প্ৰকাশ কৰিছে। যেন আমি সকলো এই ব্যৱস্থাত অভ্যস্ত তেনেকুৱা ভাব এটাও বহুতে প্ৰকাশ কৰিছে। কিন্তু কাৰ্যক্ষেত্ৰত কি হৈ আছে তাৰ উমান নোপোৱাকৈ কোনো উপাচাৰ্য, প্ৰতিষ্ঠানৰ মুৰব্বী বা চৰকাৰে শিক্ষা ব্যৱস্থাক লৈ পদক্ষেপ লোৱা উচিত নহ'ব। শিক্ষা ব্যৱস্থাৰ মূল উপাদান ছাত্ৰ-ছাত্ৰীসকলৰ পৰা এই ক্ষেত্ৰত তথ্য আহৰণ কৰাটো অতি জৰুৰী। কাৰ্যক্ষেত্ৰত দেখা গৈছে, শিক্ষকে আশী শতাংশ পাঠদান হৈ গ'ল বুলি কোৱাৰ পাছত গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কৈ উঠিছে যে পাঠদান ত্ৰিশ শতাংশও শেষ হোৱা নাই। ইফালে পৰীক্ষা অমুক মাহত হ'ব, আভ্যন্তৰীণ মূল্যায়ন মাফ কৰা হ'ব, পঞ্চাশ শতাংশ চিলেবাছেৰে এইবাৰ চূড়ান্ত পৰীক্ষা হ'ব আদি নানা কথাৰে পৰিৱেশটো অস্থিৰ কৰি তোলাও হৈছে। তেনে পৰিপ্ৰেক্ষিতত পৰৱৰ্তী শৈক্ষিক ব্যৱস্থা আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এই জৰীপে সহায় কৰিব।

অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ মহামাৰীকালীন বিভিন্ন অৱস্থাৰ বুজ ল'বৰ বাবেও এই জৰীপ চলোৱা হৈছিল। ইয়াৰ বাবে এখন 'গ'গল ফৰ্ম'ৰ লিংক ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিতৰণ কৰা হৈছিল। জৰীপত মুঠ ২১৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়। ভাগ ল'ব নোৱাৰা বিভাগৰ ১৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগত কোনোমতেই যোগাযোগ কৰিব পৰা নগ'ল। তাৰে কেইগৰাকীমানৰ সুবিধাজনক ফোন আৰু ইণ্টাৰনেটৰ অভাৱ আছিল। ভালেকেইগৰাকীয়ে আনৰ মোবাইলৰপৰা এই ফৰ্ম পূৰণ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰা তথ্যসমূহ বিভাগে সংৰক্ষণ কৰি থৈছে। গোপনীয়তা ৰক্ষাৰ স্বাৰ্থত ইয়াত কাৰো নাম প্ৰকাশ কৰা হোৱা নাই।

**১. ষাণ্মাসিক ভিত্তিক প্ৰতিক্ৰিয়া ঃ**

স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ মুঠ ২৩০ জনৰ ভিতৰত
২১৪ জনৰ প্ৰতিক্ৰিয়া সংগ্ৰহ কৰিব গ'ল।

স্নাতক ২য় ষাণ্মাসিকৰ ঃ ৫২ জন
স্নাতক ৪ৰ্থ ষাণ্মাসিকৰ ঃ ৪৪ জন
স্নাতক ৬ষ্ঠ ষাণ্মাসিকৰ ঃ ৫৫ জন
স্নাতকোত্তৰ ২য় ষাণ্মাসিকৰ ঃ ৩৩ জন
স্নাতকোত্তৰ ৪ৰ্থ ষাণ্মাসিকৰ ঃ ৩০ জন




**২. প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ লকডাউনত ক'ত আৱদ্ধ আছিলা ?**

২১৪ চনৰ—
নিজা ঘৰত ঃ ২০৪ জন
মেছ বা হোষ্টেলত ঃ ৪ জন
অন্য ক'ৰবাত ঃ ৬ জন




**৩. লকডাউনত কি কি অসুবিধাত পৰিছিলা ?**

২১৪ চনৰ—
আৰ্থিক ঃ ৭০ জন
খাদ্যজনিত ঃ ২২ জন
স্বাস্থ্যজনিত ঃ ২৭ জন
বিদ্যায়তনিক ঃ ১৭১ জন
ওপৰৰ একো নহয় ঃ ১৫ জন



**৪. লকডাউন আমাৰ বাবে জৰুৰী আছিল বুলি ভাবা ?**

২১৪ জনৰ—

ভাবোঁ ঃ ২১৪ জন

নাভাবোঁ ঃ ০ জন




**৫. লকডাউনৰ আগত মূল পাঠ্যক্রমৰ কিমান শতাংশ আগবঢ়া বুলি ভাবা ? (কেৱল সংখ্যা লিখিবা)**

৭০-৮০ % ঃ ৩০ জন

৬০-৭০ % ঃ ৫৫ জন

৫০-৬০ % ঃ ৯০ জন

৫০ % ৰ তলৰ ঃ ৩৯ জন

এই উত্তৰৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ সঁহাৰি পোৱা গৈছে। কোনো কোনো কাকত যথেষ্ট আগবাঢ়িছিল, কিন্তু কাৰিকৰী কাৰণতে কোনো কাকত আৰম্ভই হোৱা নাছিল। ছাত্ৰ-ছাত্ৰীৰ সঁহাৰিৰ আধাৰত সাৰাংশটো ওপৰত দিয়াৰ দৰে উলিওৱা হৈছে।

**৬. লকডাউনৰ সময়ছোৱাত পঢ়া-শুনাত মনোনিৱেশ কৰিব পাৰিছিলা ?**

২১৪ জনৰ—

পাৰিছিলোঁ ঃ ৭১ জন

পৰা নাছিলোঁ ঃ ১৪৩ জন



৭. লকডাউনৰ সময়ছোৱাত বিভাগৰ সৈতে যোগাযোগ তথা পাঠৰ আলোচনা হৈছিল ?

২১৪ জনৰ—

হৈছিল ঃ ২০২ জন

হোৱা নাই ঃ ১২ জন




৮. যোগাযোগ তথা পাঠৰ আলোচনা কি মাধ্যমত হৈছিল ?

তলত দিয়াৰ দৰে সঁহাৰি পোৱা গ'ল—




৯. লকডাউনৰ সময়ছোৱাত পাঠ্যক্ৰমৰ কিমান শতাংশ আগবঢ়া বুলি ভাবা ? (কেৱল সংখ্যা লিখিবা, যেনে—৫৫)

২০-৩০ % ঃ ৯০ জন

১০-২০ % ঃ ৮৪ জন

১০ % ৰ তলৰ ঃ ৪০ জন

এই উত্তৰৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ সঁহাৰি পোৱা গৈছে। কোনো কোনো কাকত যথেষ্ট আগবাঢ়িছিল, কিন্তু কাৰিকৰী কাৰণতে কোনো কাকত আৰম্ভই হোৱা নাছিল। ছাত্ৰ-ছাত্ৰীৰ সঁহাৰিৰ আধাৰত সাৰাংশটো ওপৰত দিয়াৰ দৰে উলিওৱা হৈছে।

১০. কি মাধ্যমত ক্লাছ হ'লে সুবিধা হ'ব বুলি ভাবা?

২১৪ জনৰ—

অনলাইন, ইণ্টাৰনেটৰ সহায়ত : ১৬ জন

কলেজৰ শ্ৰেণীকোঠাত গৈ : ১৯৮ জন




১১. অনলাইন ক্লাছৰ উপযোগী (এপ ডাউনলোড কৰিবপৰাকৈ বা লাইভ ভিডিঅ' চাব পৰাকৈ) সুবিধা তোমাৰ মোবাইল ফোনত (android/3G/4G) আছে?




১২. ফোনত ডকুমেণ্ট ডাউনলোড কৰিব পৰাকৈ বা ভিডিঅ' চাব পৰাকৈ ইণ্টাৰনেট ডাটা থাকে বা আছে বা ল'ব পৰা সুবিধা আছে?

২১৪ জনৰ—

আছে : ২০০ জন

নাই : ১৪ জন



১৩. তুমি বৰ্তমান থকা ঠাইত ফোনৰ নেটৱৰ্ক, চিগনেল কেনে?

২১৪ জনৰ—

| | |
|---|---|
| বহুত ভাল | ঃ ২ জন |
| ভাল | ঃ ১১১ জন |
| বেয়া | ঃ ৭৮ জন |
| বহুত বেয়া | ঃ ২৩ জন |




১৪. অনলাইন কোনটো মাধ্যমত ক্লাছ হ'লে তোমাৰ সুবিধা হ'ব বুলি ভাবা?

তলত দিয়াৰ দৰে সঁহাৰি পোৱা গ'ল—




১৫. বিভাগৰ পাঠ্যক্ৰমৰ সৈতে জড়িত হ'বলৈ ইচ্ছুক-আগ্ৰহী বা সুবিধা আছে?

২১৪ জনৰ—

| | |
|---|---|
| হয় | ঃ ২১২ জন |
| নহয় | ঃ ২ জন |



**১৬. জৰুৰী সময়ত তোমাক ফোন কৰিলে পোৱা নম্বৰ এটা।**
ফোন নম্বৰসমূহ সংৰক্ষণ কৰা হৈছে।

**১৭. অন্যান্য সুবিধা অসুবিধা সম্পৰ্কত মতামত ঃ**
কিছুসংখ্যক মন্তব্য তলত সংযুক্ত কৰা হ'ল—

১. মই এইটোৰেই ক'ব বিচাৰোঁ যে যদিও হাতত Android phone আছে কিন্তু নেটৱৰ্কৰ যথেষ্ট অসুবিধা হয়।

২. যদিও অনলাইন ক্লাছৰ জৰিয়তে উপকৃত হোৱা যায়, কিন্তু মই ভাবোঁ কলেজৰ শ্ৰেণীক্ষকত দিয়া পাঠদানৰ দৰে হ'ব নোৱাৰে।

৩. মই ক'ব বিচাৰোঁ যে যদিও হাতত Android phone আছে কিন্তু নেটৱৰ্কৰ যথেষ্ট অসুবিধা হয়।

৪. অনলাইন ক্লাছৰ জৰিয়তে উপকৃত হব পৰা যায় যদিও মই ভাবোঁ কলেজৰ শ্ৰেণীক্ষকত পাঠদান দিয়াৰ দৰে হ'ব নোৱাৰে। ভিডিঅ' কনফাৰেন্সিং অথবা গুগল মিটৰ জৰিয়তে কৰা ক্লাছৰ পৰা বিশেষ উপকাৰ হোৱা নাই। পি ডি এফ অথবা নোটচ দিলে যথেষ্ট উপকাৰ হ'ব। তদুপৰি লকডাউন খুলিছে যদিও আমাৰ ঘৰ অন্য জিলাত হোৱাৰ বাবে কিতাপ-পত্ৰ আনিবলৈ যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। তদুপৰি গৃহ জিলা মাজুলীৰ প্ৰায়কেইখন মূল ঠাই এতিয়া বন্ধ কৰি দিয়া হৈছে।

৫. Major 202 paper khonor babe kitap kinibo napalu sir..2khn kitap kinisilu sir haikhn paper r kintu jikhini porhua hoisil haikhini nasail.lockdown khulute edin college r gronthaloi loi goisilu kitap bisarisilu jodiu napalu .. jikaikhn kitapor Nam disle haikaikhn kitap napalu sir..Town r sob kitapor dukanloi glu tatu napalu .. ami jua dina library bondho asile..haibabe aikhn paper r home assignment tuhe bonabo parilu. Seminar tu atialoike bonabo pora nai kitap nathokar babe. Aru Online class korute present hao jodiu network beya huar babe aku huna napao valke..

৬. স্নাতক ২য় যাণ্মাসিকৰ ২০২ পেপাৰখনৰ পাঠ্যক্ৰম আগ নবঢ়াৰ বাবে পেপাৰখনৰ চেমিনাৰ পেপাৰ প্ৰস্তুত কৰাত অসুবিধা হৈছে। সেইখন পেপাৰৰ কিতাপসমূহো হঠাতে দিয়া লকডাউনৰ বাবে সংগ্ৰহ কৰিব নোৱাৰিলো। শিক্ষাগুৰুসকলে পেপাৰৰ সৈতে জড়িত দৰকাৰী কিতাপৰ তালিকা এখন দিলে উপকৃত হম।

৭. ল'ক ডাউনত পঢ়াৰ লগতে আন বহু সমস্যা হৈছে।

৮. অনলাইনৰ যোগেদি অলপ অসুবিধা হৈছে নেৰ্টকৰ অসুবিধা, লগতে সকলো কিতাপ হোষ্টেলত থাকি আহিছে।

৯. কিছুমান optionত উত্তৰ appropriate কৈ দিব পৰা নাই। অৰ্থাৎ appropriate option নাই।

১০. ক্লাছ নকৰিলে বুজি পোৱাত মোৰ ভালেমান অসুবিধা হয় ।

১১. Lockdown r akhubidha– 1. information bur paboloi phon t recrd koribole akhubidha. 2. Lockdown r himoit ghorot thoka babe kitap bur room t thakil, ghor r pora jaboloi gari akhubidha. 3. Arthik bhabe olp akhubidha paisu.

১২. অনলাইনৰ জৰিয়তে পাঠদান কৰাত আগ্ৰহী যদিও নেটৱৰ্কৰ অসুবিধাৰ বাবে যথাসময়ত শিক্ষা গ্ৰহণ কৰাত প্ৰায় অসুবিধা হয় ।

১৩. প্ৰথম পৰ্যায়ৰ ল'কডাউনতে ঘৰতে পিছল খাই পৰি সোঁ ভৰি ভাঙিল। বৰ্তমান চিকিৎসাধীন হৈ আছোঁ।

১৪. কলেজ খুলিলেহে পঢ়াৰ ক্ষেত্ৰত আগবাঢ়িব পাৰিম ছাৰ, online class ৰ যোগেদি পৰা নাই যিহেতু আমাৰ ইয়াত net ৰ অসুবিধা বহুত।

১৫. অনলাইন ক্লাছ কৰোঁতে নেটৱৰ্কৰ বাবে অসুবিধাৰ সন্মুখীন হওঁ। প্ৰয়োজনীয় কিতাপ পত্ৰ ভাৰাক্ৰমত থাকি অহাত অলপ অসুবিধাৰ সন্মুখীন হৈছিলোঁ। অবশ্যে এতিয়া সেই অসুবিধা অলপ হলেও দূৰ হল।

১৬. চিলেবাচৰ পাঠ্য পুথিসমূহ কিনিবলৈ থাকি গ'ল। বাকি অলপ বাহিৰা কিতাপ সমূহ পঢ়া হৈছে।

১৭. আমাৰ গাঁৱত network ৰ অলপ অসুবিধা হয়। সকলো সময়তে পোৱা নাযায় সেইবাবে online class কৰিলে অলপ অসুবিধা হয়।

১৮. Lockdown r akhubidha. 1. Phone r recerg koribole akhubidha. 2. Kitap kisuman roomt thaki ahil. 3. Jatayotor okhubidha 4. Arthik dikhot olp akhubidha paisu. Lock downr homoit arthik vbe kisu akhubidha hoisil kio nu kitap bur kinib pora ni aetia exam hle hoitu nopohake diboloie akhubidha hb.

১৯. আমাৰ পাঠ্যক্ৰমৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে যদিও দেশৰ বৰ্তমান পৰিস্থিতিলৈ চাই পূৰ্ণ পৰ্যায়ত Lockdown কামনা কৰোঁ ।

২০. ক্লাছৰূমত পোৱা শিক্ষাৰ দৰে অন্য মাধ্যমত পৰ্যাপ্ত পৰিমাণৰ শিক্ষা পোৱা নাযায়। বৰ্তমান এগৰাকী শিক্ষাৰ্থী হিচাপে শিক্ষাগত ক্ষেত্ৰত অসুবিধা পাইছোঁ।

২১. ছাৰ এটা বৰ ভাল পদক্ষেপ গ্ৰহণ কৰিছে। যাৰ জৰিয়তে আমি আমাৰ সুবিধা-অসুবিধাবোৰ আপোনালোকৰ আগত অৱগত কৰিব পাৰিছোঁ। মোৰ থকা ঠাইত নেটৱৰ্কৰ অসুবিধা বাবে মই অনলাইন ক্লাছত অংশগ্ৰহণ কৰিব পৰা নাই।

২২. ভিডিঅ'কল বা অনলাইন ক্লাছৰ পৰা আমি আশা কৰা ধৰণে সফল হৈছো বুলি নকওঁ, ইয়াৰ কাৰণো আছে যথেষ্টখিনি, লগতে ভিডিঅ' কলত কেতিয়াবা শব্দবোৰ ভালদৰে শুনা পোৱা নাযায়।

২৩. পাঠ্যক্ৰমৰ কিছুমান বিষয় শিক্ষকৰ পাঠদানৰ অবিহনে বুজিবলৈ অসুবিধা পাইছোঁ।

২৪. মোৰ ঘৰত ইন্টাৰনেটৰ চিগনেল বহুত বেয়া সেয়ে লকডাউনৰ সময়ত যদি পাঠদান হয় তেতিয়া মই পোনপটীয়াকৈ সংযুক্ত হোৱাত অসুবিধা হ'ব। গতিকে যদি আলোচনাটোৰ ভিডিঅ' বা অডিঅ' ৰেকৰ্ড কৰি ডাউনল'ড কৰিব পৰাকৈ ইমেইল বা হোৱাটচএপত চেয়াৰ কৰে তেতিয়াও যথেষ্ট পৰিমাণে উপকৃত হ'ম।

২৫. ঘৰতে থাকি যিকোনো এটা বিষয় অধ্যয়ন কৰিলে আমি যি শিকিব পাৰোঁ তাতকৈ শ্ৰেণীকোঠাত হোৱা ক্লাছসমূহে আমাক অধিক উপকৃত কৰে। ল'কডাউনৰ সময়ছোৱাত অনলাইন ক্লাছসমূহ কৰা হৈছে যদিও এই ক্লাছসমূহে আমাক বৰ বেছি উপকৃত কৰিছে বুলি নাভাবোঁ।

সংস্কৃতিৰ পাঠ্যক্ৰম বহুত পিছ পৰি আছে । সংস্কৃতিৰ পাঠ্যক্ৰম অলপ আগুৱাই নিব নেকি?

২৬. কিতাপসমূহ সম্পূৰ্ণ কৈ কিনিব নোৱাৰিলোঁ। আৰু zoom এপত পাঠদান গ্ৰহণ কৰাটো আমাৰ বাবে উপকাৰী যদিও আমাৰ এই ঠাইডোখৰত ইন্টাৰনেট সেৱা সুবিধা বৰ সহজলভ্য নোহোৱাৰ বাবেই চাগে অনলাইন classকৰিও মই বৰ বিশেষ ভাৱে উপকৃত হব নোৱাৰিলোঁ চাৰ।

২৭. Lockdown must continue until the COVID-19 vaccine found.

২৮. ৰূমত কিতাপখিনি থাকি অহা বাবে অসুবিধাত পৰিছোঁ। ঘৰৰ পৰা আনিবলৈ যাবলৈ দিবলৈও ভয় কৰিছে।

২৯. যদিও মোৰ হাতত এণ্ড্ৰইড ফোন আছে কিন্তু মই থকা ঠাইত নেটৱৰ্ক বহুত বেয়া। আৰু মই থকা হোষ্টেলত প্ৰয়োজনীয় কিতাপ থাকি আহিলে। আৰ্থিক অসুবিধাৰ বাবে এতিয়া গৈও কিতাপ অনাটো সম্ভৱ হোৱা নাই।

৩০. পাঠ্যক্ৰমৰ কেইটামান গোট বুজাত অসুবিধা হৈছে

৩১. মই ভাবোঁ, এই মুহূৰ্তত অনলাইন শিক্ষা গ্ৰহণ এটা বিকল্প মাধ্যম হৈ উঠা নাই। মই শিক্ষা আৰু পৰীক্ষাৰ মাজত সদায় শিক্ষাকে বাছি ল'বলৈ ভাল পাওঁ। যিকোনো প্ৰকাৰেৰে 'End Semester Exam' যদি পাতিব লগা হয়ো, তাৰ আগত ন্যূনতম ৪৫-৬০ দিন আমি শ্ৰেণীকোঠাত শিক্ষা পোৱাটো জৰুৰী বুলি বিবেচনা কৰোঁ।

৩২. পাঠ্যক্ৰমৰ কেইটামান গোট বুজাত অসুবিধা হৈছে।

৩৩. প্ৰয়োজনীয় কিছু কিতাপ কিনিব নোৱাৰিলোঁ

৩৪. Network connection bht bya hoi amr eyat

৩৫. মই বিচাৰোঁ পৰীক্ষা হোৱাৰ আগত কলেজত 40-50 % ক্লাছ হোৱাটো।

৩৬. ল'কডাউনৰ সময়ছোৱাত ঘৰতে থাকিব লগীয়া হোৱাত আমাৰ ক্লাছসমূহ কৰিব পৰা নাই। যদিও অনলাইন পাঠদান কৰা হৈছিল নেটৱৰ্কৰ অসুবিধাৰ বাবে ক্লাছ কৰিব পৰা নগ'ল। লগতে প্ৰয়োজনীয় কিতাপ সমূহ ক্ৰয় কৰিব নোৱাৰাৰ বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছো।

৩৭. মোৰ প্ৰয়োজনীয় সকলোবোৰ কিতাপ ঘৰলৈ আনিব নোৱাৰিলোঁ সেইকাৰণে অসুবিধা হৈছে।

৩৮. পাঠ্যক্ৰম বুজাত অসুবিধা হৈছে।

৩৯. Cls bur jate hunklale hoi.

৪০. Online class hole note Dia koribo lge aru kitap kinibo poisa nai.

৪১. অনলাইন যোগে ক্লাছ কৰিবলৈ সকলোৰে সুবিধা নাথাকে গতিকে বিষয়টো আলোচনাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে।

৪২. ল'কডাউনে আমাৰ শিক্ষা ব্যৱস্থাৰ ওপৰত বহুত বেয়া প্ৰভাৱ পেলাইছে।

৪৩. Sir/mam, মোৰ কিতাপ পত্ৰ মেছত থাকি অহাৰ বাবে পঢ়াত কিছু অসুবিধা পাইছোঁ, লগতে মোৰ internet pack শেষ হোৱাত প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ লকডাউনৰ সময়ছোৱাত হোৱা online classৰ কিছু সংখ্যক কৰিব পাৰিলোঁ যদিও বাকী কৰা classবোৰ কৰিব নোৱাৰিলোঁ।

৪৪. ছাত্ৰ ছাত্ৰীৰ সুবিধাৰ্থে আমাৰ ছাৰ,বাইদেউসকলে যি ভিডিঅ' কনফাৰেন্সৰ দ্বাৰা আমাৰ পাঠ্যক্ৰম আগুৱাই লৈ গৈছে, মই ভাবোঁ এনেদৰেই যদি আমাৰ ছাৰ, বাইদেউসকলে আমাৰ পাঠ্যক্ৰম WhatsAppৰ দ্বাৰা video recording বা ডকুমেণ্ট সমূহ share কৰি আগুৱাই ল'লে সুবিধা হব। কিয়নো আমাৰ ইয়াত নেটৱৰ্কৰ বহুত অসুবিধা যাৰ বাবে video conferencingৰ বাবে কিছু অসুবিধাৰ সৃষ্টি হয় ।কিন্তু whatsapp ত ডাউনলোড কৰি চাব পাৰি।

৪৫. তৃতীয় পৰ্যায় ল'কডাউনলৈ নিজা ঘৰত আহি আৱদ্ধ হ'লো। তেতিয়া ঘৰলৈ আহোঁতে কিতাপ আনিব নোৱাৰা বাবে এই দীঘলীয়া সময়ছোৱা পঢ়া শুনাৰ পৰা দূৰত থাকিব লগা হ'ল।

৪৬. বৰ্তমান সময়ত বিভিন্ন মাধ্যমত অনলাইন ক্লাছ কৰিছে যদিও নেটৱৰ্ক অসুবিধাত বহুতে ক্লাছ কৰিব পৰা নাই। ময়ো পৰা নাই।

৪৭. মোবাইল নেটৱৰ্কৰ অলপ অসুবিধা হয়।

৪৮. ল'কডাউনৰ দ্বাৰা যদিও কৰ'না নিয়ন্ত্ৰণৰ বাবে দেশৰ সুবিধা হৈছে তথাপিও শিক্ষাৰ বাবে বহুত অসুবিধা হৈছে। যদিও অনলাইনত পঢ়াৰ সুবিধা হৈছে তথাপিও সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে এই সুবিধা হোৱা নাই।

৪৯. ছাৰ আমাৰ আনুষ্ঠানিক শ্ৰেণী আৰু পৰীক্ষা সমূহ কেতিয়াৰ পৰা আৰম্ভ হ'ব জনাব পাৰিব নেকি?

৫০. Lockdown r agoteo jihetu syllabus bor aagnabarhil aru online class o hothik matra t hua ni heye okhubidha hoise.

৫১. E-mailৰ যোগে পঠিয়াব নোৱাৰা চেমিনাৰ আৰু এচাইনমেণ্ট কেনেকৈ জমা দিম ছাৰ?

৫২. ৰূমৰ পৰা কিতাপবোৰ আনিবলৈ নাপালোঁ। দুইদিন আগতে অনা হৈছে কেইখনমান। syllabus ৰ কিতাপ দুই এখনৰ বাদে কিনিবলৈ নাপালোঁ।

৫৩. ল'কডাউনৰ সময়ছোৱাত অনলাইন ক্লাছৰ জৰিয়তে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সুবিধা পাইছে, বহু সংখ্যক ছাত্ৰ-ছাত্ৰী পিছ পৰিও আছে । এই অনলাইন ক্লাছৰপৰা আমাৰ কিবা লাভ হৈছে বুলি মই নাভাবোঁ কাৰণ নেটৱৰ্কৰ বাবে কেতিয়াবা বঞ্চিত হ'ব লাগে আৰু মোৰ ঘৰতো এই অসুবিধা সন্মুখীন হৈছো। আৰ্থিকভাৱে আমাৰ বহুত অসুবিধা হৈছে। লকডাউনৰ বাবে বাগান বন্ধ হৈ থকাৰ বাবে দুমাহৰ দৰমহা দিব পৰা নাই । আমাৰ যথেষ্ট অসুবিধা হৈছে। শ্ৰেণীকোঠাত যিদৰে পাঠদানত মনোযোগ দিব পাৰি অনলাইন যোগে মনোযোগ দিব নোৱাৰি।

৫৪. ছাৰ, অনলাইন ক্লাছ কৰোঁতে নেটৱৰ্কৰ অসুবিধাই সমস্যা সৃষ্টি কৰে।

৫৫. যদিও মোৰ android phone আছে, ইণ্টাৰনেটৰ ডাটাপেক লোৱাত আৰ্থিক অসুবিধাত পৰোঁ। অনলাইন ক্লাছ কৰিবলৈও অসুবিধা হয়, কাৰণ নেটৱৰ্ক বেয়া। ভাড়াঘৰৰ পৰা কিতাপসমূহ আনিব নোৱাৰা বাবে পঢ়া-শুনা কৰিবলৈ অসুবিধা হৈছে।

৫৬. ল'কডাউনৰ সময় ছোৱাত অললাইন classৰ সুবিধা কৰা হৈছিল যদিও বহুতে এই সুবিধা গ্ৰহণ কৰিব পৰা নাই । অনলাইন classত কৈ শ্ৰেণী কোঠাত class কৰিলে বুজাত বেছি সুবিধা হয় । কাৰণ অনলাইন classৰ সময়ত বহুতো অসুবিধাৰ সন্মুখীন হ'ব লগা হয় ।

৫৭. বৰ্তমান সময়ত ল'কডাউনত যি অনলাইন পাঠ্যক্ৰম ছাৰ-বাইদেউসকলে দি আছে। সেই অনলাইন পাঠ্যক্ৰমৰ দ্বাৰা মই উপকৃত হ'ব পৰা নাই। প্ৰত্যক্ষভাৱে ছাৰ-বাইদেউ সকলৰ দ্বাৰা গ্ৰহণ কৰা পাঠ্যক্ৰমতকৈ পৰোক্ষ মাধ্যমৰ এই পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীক উপকৃত নকৰে বুলি মই ভাবোঁ।

৫৮. আৰ্থিকভাবে পিছপৰা সেই কাৰণে লাগতিয়াল কিতাপবোৰ লোৱা হোৱা নাই আৰু মই থকা ঠাইত নেটৱৰ্ক বেয়া।

**১৮. বিভাগৰপৰা গ্ৰহণ কৰা ব্যৱস্থাসমূহ ঃ**

(ক) বিভাগৰ মুৰব্বীয়ে যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীক ঘৰত গৈ কিতাপ যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰে।

(খ) কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীক সামান্য আৰ্থিক সহায় কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। সেয়া পৰ্যায়ক্ৰমে অব্যাহত থাকিব।

(গ) ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্য ভালে থাকিবৰ বাবে সময়ে সময়ে কিছু 'কাউন্সেলিং' কৰাৰ আঁচনি কৰা হয়।

(ঘ) তিনিগৰাকী ছাত্ৰ-ছাত্ৰীক ইণ্টাৰনেট পেক ৰিচাৰ্জ কৰি দিয়া হৈছে।

(ঙ) ছাত্ৰ-ছাত্ৰীৰ সুবিধা অনুসৰি শিক্ষণ সমল প্ৰেৰণ কৰিবলৈ সকলো শিক্ষককে আহ্বান জনোৱা হৈছে।

(চ) সকলো ছাত্ৰ-ছাত্ৰীৰ লগত সঘনে যোগাযোগ ৰক্ষা কৰিবলৈ সকলো শিক্ষককে পৰামৰ্শ দিয়া হয়।



(অৰবিন্দ ৰাজখোৱা)